জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬৪/২০২২**

# মুম্বাইত টাটা গ্ৰুপৰ শীৰ্ষ বিষয়ববীয়াসকলৰ সৈতে কেইবাখনো বৈঠকত মিলিত হ'ল মুখ্যমন্ত্ৰী ড° শৰ্মা

## ৰাজ্যখনত অধিক বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ টাটা গ্ৰুপক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৭ ফেব্ৰুৱাৰী ঃ** সম্প্ৰতি মুম্বাইত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি টাটা গ্ৰুপৰ শীৰ্ষ বিষয়ববীয়াসকলৰ সৈতে ৰাজ্যখনৰ বিভিন্ন উন্নয়নৰ বিষয় সামৰি কেইবাখনো বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে আজি টাটা গ্ৰুপৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনৰ লগতে টাটা চ'নচ, টাটা কনজিউমাৰচ, টি চি এছ, টাটা টেকন'লজিছ, ইণ্ডিয়ান হোটেল আৰু টাটা মটৰ্ছৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মুম্বাইস্থিত বোম্বে হাউছত ৰাজ্যখনৰ বিভিন্ন উন্নয়নৰ বিষয় সামৰি আলোচনাত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই টাটা গ্ৰুপক অসমত বিনিয়োগ কৰাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। ৰাজ্যখনৰ স্বাস্থ্য, শিক্ষা, সেউজ আৰু নবীকৰণ শক্তি, পৰ্যটন আৰু অতিথ্য খণ্ডত বিনিয়োগৰ বাবে তেওঁ আহ্বান জনায়। ইয়াৰ বাবে ৰাজ্য চৰকাৰে যথোচিত নীতি সলনি তথা মূলধনী ৰাজ সাহায্য ইত্যাদিৰ দৰে প্ৰয়োজনীয় সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ পদক্ষেপ ল'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে যাতে ৰাজ্যখনক দেশৰ এক আগশাৰীৰ বিনিয়োগৰ স্থান হিচাপে পৰিগণিত কৰিব পৰা যায়। বৈঠকত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে টাটা ট্ৰাষ্টৰ উপাধ্যক্ষ বিজয় সিং, মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীনাথ নৰসিংহমৰ উপৰি টাটা ট্ৰাষ্টৰ ন্যাস পৰিষদৰ অন্যান্য সদস্যসকলৰ সৈতেও আজি এক বৈঠকত মিলিত হয়। এই বৈঠকত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনত নিৰ্মাণৰত ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে ১৭ খন এনে কৰ্কট প্ৰতিষ্ঠানৰ ভিতৰত ২০২২ বৰ্ষৰ এপ্ৰিল মাহত ইয়াৰে ৭টা প্ৰতিষ্ঠান জনসাধাৰণৰ সেৱাৰ বাবে উৎসৰ্গিত কৰাৰ লক্ষ্য লোৱা হৈছে। বৈঠকত মুখ্যমন্ত্ৰীয়ে অসমত প্ৰস্তাৱিত দক্ষিণ এছিয়া কৰ্কট প্ৰতিষ্ঠান স্থাপনৰ প্ৰাথমিক প্ৰয়োজনীয়তাখিনি অধ্যয়নৰ বাবে টাটা ট্ৰাষ্টৰ এটা গোট নিয়োজিত কৰাৰ বাবে আহ্বান জনায়।

ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে আজি টাটা কনচালটেন্সি চাৰ্ভিছেচৰ প্ৰাক্তন উপাধ্যক্ষ, ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ অধ্যক্ষ, পদ্মভূষণ সুব্ৰমণিয়াম ৰামডোৰাইৰ সৈতেও এক আলোচনাত মিলিত হয়। আলোচনা কালত নতুন ধাৰণা তথা প্ৰযুক্তিৰ প্ৰয়োগেৰে ৰাজ্যখনৰ শৈক্ষিক দিশৰ উৎকৰ্ষতাৰ কেইবাটাও দিশ বিস্তৃতভাৱে আলোচনা কৰা হয়।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি ৰাজ্যখনৰ শিশু স্বাস্থ্য প্ৰযত্নৰ সা-সুবিধা অধিক শক্তিশালীকৰণৰ বিষয় সামৰি এছ আৰ চি চি চিলড্ৰেণছ্ হাস্পতালৰ ফেচিলিটি সঞ্চালক ৰূপেশ আৰ চুবেৰ সৈতেও এক আলোচনাত মিলিত হয়। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে এছ আৰ চি চি চিলড্ৰেণ হাস্পতালক গুৱাহাটীৰ নতুন চুপাৰস্পেচিয়েলিটি হাস্পতাললৈ শিশু স্নায়ু ৰোগ আৰু শিশুৰ হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ ইত্যাদিৰ দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অভিযান সঞ্চালকক এই সম্পৰ্কীয় এক বুজা-বুজিৰ চুক্তিৰ খচৰা প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে আজি মুম্বাইৰ টাজ চেম্বাৰত টাটা ট্ৰাষ্টৰ দক্ষতা উন্নয়ন পদক্ষেপৰ এক অন্যতম অংগ টাটা ষ্ট্ৰীভৰ মুখ্য কাৰ্যবাহী বিষয়া অনিতা ৰাজনৰ সৈতেও এক আলোচনাত মিলিত হয়। আলোচনাকলত ৰাজ্যখনৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৪ বছৰীয়া মেণ্টৰশ্বিপ কাৰ্যসূচী, আৰোহণ প্ৰকল্পলৈ টাটা ষ্ট্ৰীভক সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁ আহ্বান জনায়। তদুপৰি, আৰোহণ প্ৰকল্পৰ ছাত্ৰ-ছাত্ৰীসকললৈ ছফট স্কীল উন্নয়নৰ দিশত সহযোগিতা আগবঢ়োৱাৰ বাবেও তেওঁ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল চায়েন্সৰ সঞ্চালক ডও শালিনী ভাৰতৰ সৈতেও টাজ চেম্বাৰত এক আলোচনাত মিলিত হয়। বৈঠকত টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল চায়েন্সৰ গুৱাহাটী চৌহদৰ আন্তঃগাঁথনি তথা শৈক্ষিক কাম-কাজ শক্তিশালীকৰণৰ বিভিন্ন বিষয় সম্পৰ্কত আলোচনা কৰা হয়।

ইয়াৰপূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশিষ্ট ই এন টি বিশেষজ্ঞ পদ্মশ্ৰী ডাঃ মিলিন্দ ভি কীৰ্তানেৰ সৈতে এক ভাৰ্চুৱেল বৈঠকত মিলিত হৈ ৰাজ্যখনৰ ই এন টি চিকিৎসাৰ সা-সুবিধা শক্তিশালীকৰণৰ বিভিন্ন দিশ সামৰি আলোচনা কৰে। ৰাজ্যখনত এই দিশৰ এক বিশেষজ্ঞ গোট গঠন কৰাৰ দিশত সহায়ক হোৱাকৈ এপ্ৰিলৰ পৰা এক প্ৰশিক্ষণৰ কাৰ্যসূচী গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে তেখেতক আহ্বান জনায়।

**প্ৰঃকুঃবঃ**
**১৭-২-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in